অসম

জুবিনৰ হত্যাত অভিযুক্তই জামিন পালে কঁপিব অসম; সোণাপুৰত বিশাল গণসমাৱেশত অখিল গগৈৰ সকীয়নি

জুবিন গার্গৰ ন্যায়ৰ দাবীত সোণাপুৰৰ জুবিন ক্ষেত্ৰত বিশাল গণসমাৱেশ। অখিল গগৈয়ে অভিযুক্তসকলৰ জামিনৰ বিৰোধিতা কৰে।

প্ৰকাশ: ৫ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৫ আপডেট: ৫ নৱেম্বৰ ২০২৬, নিশা ৭:০৭



সোণাপুৰ, ৫ নৱেম্বৰঃ প্ৰাণৰ শিল্পী জুবিন গার্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি বৃহস্পতিবাৰে গুৱাহাটীৰ সোণাপুৰস্থিত জুবিন ক্ষেত্ৰত হাজাৰ হাজাৰ অনুৰাগী আৰু সাধাৰণ ৰাইজৰ সমাৱেশ ঘটে। ‘জুবিন গার্গ ন্যায় দাবী সমিতি’ৰ উদ্যোগত অনুষ্ঠিত এই গণ সমাৱেশত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকসকলে অংশগ্ৰহণ কৰি অভিযুক্তসকলৰ জামিনৰ বিৰোধিতা কৰে। সমাৱেশস্থলীত ‘জুবিন দাৰ ন্যায় লাগিবই’ ধ্বনিৰে প্ৰতিবাদ সাব্যস্ত কৰে উপস্থিত ৰাইজে।

৬ নৱেম্বৰত উচ্চতম ন্যায়ালয়ত জুবিন গার্গৰ মৃত্যুৰ ঘটনাৰ সৈতে জড়িত অভিযুক্তসকলৰ জামিন আবেদনৰ শুনানি অনুষ্ঠিত হোৱাৰ কথা। এই শুনানিৰ এদিন পূৰ্বে অনুষ্ঠিত সমাৱেশৰ পৰা চৰকাৰক সকীয়াই দিয়া হয় যে অভিযুক্তসকলে জামিন লাভ কৰিলে অসমত পুনৰ ব্যাপক প্ৰতিবাদৰ সৃষ্টি হ’ব। সমাৱেশত অংশগ্ৰহণকাৰীসকলে ন্যায়ালয়ত চৰকাৰী পক্ষই দৃঢ়ভাৱে যুক্তি দাঙি ধৰাৰ দাবী জনায়।

বিশেষকৈ, ৬ নৱেম্বৰৰ শুনানিত ভাৰত চৰকাৰৰ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাৰ উপস্থিতি নিশ্চিত কৰিবলৈ

চৰকাৰৰ ওচৰত দাবী জনোৱা হয়। শ্যামকানু মহন্তকে ধৰি কাৰাগাৰত থকা অভিযুক্তসকলৰ জামিনৰ বিৰোধিতা কৰি চৰকাৰী পক্ষই কঠোৰ আইনী যুক্তি দাঙি ধৰিব লাগে বুলি সমাৱেশৰ পৰা আহ্বান জনোৱা হয়। ইতিমধ্যে জামিন লাভ কৰা অভিযুক্তসকলৰ জামিনো পুনৰ বিবেচনাৰ বাবে আইনী ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে।

বিকাশ অসমে আঁত ধৰা অনুষ্ঠানত বিশেষভাৱে সক্ষম ঈশান শৰ্মাই আৰম্ভণি ভাষণ প্ৰদান কৰে। তেওঁ কয় যে জুবিন গাৰ্গৰ ন্যায়ৰ বাবে তেওঁলোক বদ্ধপৰিকৰ। মুখ্যমন্ত্রীয়ে জুবিন গাৰ্গৰ মৃত্যুক হত্যাকাণ্ড বুলি উল্লেখ কৰাৰ পাছতো কিয় এতিয়ালৈকে ন্যায় নিশ্চিত হোৱা নাই বুলি তেওঁ প্ৰশ্ন উত্থাপন কৰে।

চিত্ৰশিল্পী মাৰ্শেল বৰুৱাই জুবিন গাৰ্গৰ ন্যায় লাভ কৰাটো ৰাইজৰ অধিকাৰ বুলি উল্লেখ কৰি এই দাবীত সংগ্ৰাম অব্যাহত ৰখাৰ সংকল্প ব্যক্ত কৰে। অহা ১৮ নৱেম্বৰত গণেশগুৰিত জুবিন গাৰ্গৰ এখন ছবি অংকন কৰিব বুলিও তেওঁ ঘোষণা কৰে।

ড□ জ্ঞানশ্ৰী বৰাই জুবিন গাৰ্গৰ ন্যায় বিচাৰি ৰাইজে এনেদৰে সমাৱেশ আৰু প্ৰতিবাদ কৰিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰে। আনহাতে, হুছেইন মহম্মদ ছাহজাহান, সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ সভানেত্ৰী ভায়লীনা ফুকন আৰু বি বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ জ্যোতিষ্মান ফুকনেও প্ৰতিবাদী কাৰ্যসূচীত বক্তব্য আগবঢ়ায়। ছাত্ৰ সমাজে জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত ৰাজপথত আন্দোলন অব্যাহত ৰখাৰ সংকল্প প্ৰকাশ কৰে।

জনপ্ৰিয় কণ্ঠশিল্পী মহেন্দ্ৰ হাজৰিকাই জুবিন গাৰ্গক লৈ এটি গীত পৰিৱেশন কৰাৰ লগতে জনতা পুনৰ জাগ্ৰত হ'ব বুলি সকীয়াই দিয়ে। অনুষ্ঠানত গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি খগেন কলিতা, কৃষক নেতা হৰেশ্বৰ বৰ্মন, জাতীয় যুৱ শক্তিৰ সভাপতি অংকুৰ প্ৰতিম গগৈ আৰু শ্বহীদ কুশল কোঁৱৰৰ নাতি পৰমজিৎ কোঁৱৰেও ভাষণ প্ৰদান কৰে।

সমাৱেশৰ শেষৰফালে অখিল গগৈৰ আহ্বানত উপস্থিত ৰাইজে মুষ্টিবদ্ধ হাত দাঙি জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত শ্লোগান দিয়ে। অখিল গগৈৰ নেতৃত্বত উপস্থিত লোকসকলে ন্যায়ৰ দাবীত সংগ্ৰাম অব্যাহত ৰখাৰ সংকল্প গ্ৰহণ কৰে।

'জুবিন গাৰ্গ ন্যায় দাবী সমিতি'য়ে স্পষ্ট কৰি দিয়ে যে ন্যায় লাভ নকৰালৈকে গণ আন্দোলন অব্যাহত থাকিব। ৬ নৱেম্বৰৰ উচ্চতম ন্যায়ালয়ৰ শুনানিৰ দিশে সমগ্ৰ অসমৰ ৰাইজে দৃষ্টি ৰাখিছে বুলিও সমিতিয়ে উল্লেখ কৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/839/zubeen-garg-justice-rally-held-sonapur